# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIV | YEAR OF OUR LORD JESUS CHRIST, 2024 MAY | No. 11




## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক
প্ৰভুৰ প্ৰশংসা হওঁক !

### গীতমালা ৭৫ঃ১-৯

১। হে ঈশ্বৰ আমি তোমাৰ ধন্যবাদ কৰোঁ;আমি তোমাৰ ধন্যবাদ কৰোঁ কিয়নো তোমাৰ নাম ওচৰতে লোকে তোমাৰ অদ্ভুত কাৰ্য্যবোৰ বৰ্ণনা কৰে।

২। নিৰূপিত সময় উপস্থিত হ'লে, মই নিজেই ন্যায়েৰে বিচাৰ কৰিম।

৩। যদিও পৃথিৱী আৰু তাৰ নিবাসীসকলে দ্ৰৱ হৈ গৈছে, তথাপি ময়েই তাৰ স্তম্ভবোৰ স্থাপন কৰিলো।

৪। মই অহঙ্কাৰীসকলক ক'লো, তহঁতে অহঙ্কাৰেৰে কাৰ্য্য নকৰিবি, দুষ্টবোৰক ক'লো , তহঁতে শিং নাদাঙিবি।

৫। তহঁতে শিং ওখকৈ নুতুলিবি, তহঁতে ঠৰ ডিঙিৰে কথা নকবি।

৬। কিয়নো পূব, পশ্চিম কি দক্ষিণৰ পৰাও উন্নতি লাভ নহয়।

৭। কিন্তু ঈশ্বৰেই বিচাৰকৰ্ত্তা;তেওঁ কাৰোবাক নহয় কাৰোবাক তোলে।

৮। কিয়নো যিহোৱাৰ হাতত এক পান-পাত্ৰ আছে, দ্ৰাক্ষাৰস ফেনাইছে, সেয়ে মিশ্ৰিত দ্ৰৱৰে পৰিপূৰ্ণ আৰু তেওঁ তাৰেই কিছু ঢালি দিছে, পৃথিৱীৰ আটাই দুষ্টবোৰে অৱশ্যে তাৰ গেদবোৰ চেপি খাব।

৯। কিন্তু মই হ'লে চিৰকাললৈকে প্ৰচাৰ কৰিম, যাকোবৰ ঈশ্বৰৰ উদ্দেশ্যে স্তুতি গান কৰিম।

## মাতৃৰ হৃদয়ৰ দৰে, আমাৰ ঈশ্বৰৰ হৃদয়খন !

### OUR LORD'S MOTHERLY HEART!



**যিদৰে মাতৃয়ে নিজৰ সন্তানক সুখ দিয়ে,
সেইদৰে মই তোমালোকক সুখ দিম - যিচয়া ৬৬ঃ১৩।**

*মাননীয় প্ৰধান সম্পাদক, ৰেভা এঞ্জেলীনা ছেলভা কুমাৰী*



আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টৰ মূল্যবান নামত শুভেচ্ছা জনালো, যিজনে আমাক স্বৰ্গীয় আশীৰ্বাদৰে আশীৰ্বাদ কৰে। এই মাহটোত বিশেষ গুৰুত্ব আছে, কিয়নো তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিয়ে এটি শুভ মাতৃ দিৱসৰ বাবে আন্তৰিক শুভেচ্ছা জনাইছে। যেতিয়া এই অনুষ্ঠানে অনেকৰ জীৱনত আনন্দ লৈ আহে, তেওঁলোকে কাৰোবাৰ বাবে দুখৰ অনুভূতিক জগাই তুলিব পাৰে। এই বাৰ্ত্তা খাৰিজ কৰাৰ আগতে, ভাবিছো, "মইতো মাতৃ নহয়, কিয় বিৰক্ত হ'ব লাগে," "বিবেচনা কৰক ঃ 'মাতৃ দিৱসটি ' মাতৃত্বৰ লালনশীল আত্মাৰে সংগঠিত সকলোৰে বাবে এটি উৎসৱ হ'ব পাৰে আপুনি এজন পিতৃ, ভাতৃ, খুৰা, খুৰী বা ভগ্নী যিসকলে এগৰাকী মাতৃৰ ভূমিকা ও দায়িত্ব পালন কৰিছে। আজিৰ দিনটো আপোনাৰ ত্যাগ, প্ৰেমক স্মৰণ কৰাৰ আৰু আনন্দ কৰাৰ দিন।

*৩ পৃষ্ঠাত চাওঁক*




ইখ অফ হীজ কল ৫ মিনিট বাৰ্তা

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে
প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

**ইংৰাজী, হিন্দী, তামিল আৰু তেলেগু**
প্ৰত্যেক দিনে পুৱা ২ বজাত

**তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত**

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

REACHING NATIONS



# আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



**ধাৰ্মিকসকলৰ পৰিত্ৰাণ যিহোৱাৰ পৰা আহে সঙ্কটৰ কালত তেৱেঁই তেওঁলোকৰ আশ্ৰয়। গীতমালা ৩৭ঃ৩৯**

খ্ৰীষ্টত মোৰ প্ৰিয়সকল,

**"ঈশ্বৰ আৰু আমাৰ প্ৰভূ যীচু খ্ৰীষ্টৰ পিতৃ ধন্য" (১ পিতৰ ১ঃ৩)।**

আপোনালোকৰ অটুত প্ৰাৰ্থনা আৰু নিয়মীয়া সহায়ৰ বাবে আমি আপোনালোকক আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। আপোনালোকৰ উদাৰতা আৰু ঈশ্বৰৰ কাৰ্যৰ বাবে প্ৰতিশ্ৰুতি কৰাৰ বাবে ঈশ্বৰে আপোনালোকক প্ৰচুৰ আশীৰ্বাদ কৰক।

যি স্পষ্ট উদ্দেশ্যত এপ্ৰিল মাহৰ তৃতীয় সপ্তাহৰ আয়োজন কৰা 'শিশুসকলৰ গ্ৰীষ্মকালীন বাইবেল স্কুলখন অধিক সাফল্যতাৰে আৰু প্ৰচুৰ আশীৰ্বাদেৰে সম্পন্ন হৈছে। চেন্নাইৰ ওচৰ-চুবুৰীয়া ঠাইৰ পৰা চেপাকৰ লগতে ভেলাচেৰী, বালাজী নগৰ আৰু চান্তচাপুৰামৰ পৰা অহা শ শ শিশুসকল অতি সূক্ষ্মভাবে পৰিকল্পিত পাঠ্যক্ৰমৰ মাধ্যমেৰে পবিত্ৰ শাস্ত্ৰপাঠৰ শিক্ষাত সমৃদ্ধ হৈছিল। এই আয়োজনৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো আৰু যিসকল এই পৰিচৰ্য্যাত মনে প্ৰাণে অৱদান ৰাখিছে, ঈশ্বৰৰ এই সকলো দাসসকললৈ আমি আমাৰ হৃদয়ৰ গভীৰতাৰ পৰা প্ৰশংসা কৰিছো।

আমি পালক এচ, চাম ছেলভা ৰাজৰ আত্মজীৱনী পুস্তকৰ আকাৰত প্ৰকাশন সম্পূৰ্ণ কৰাৰ চূড়ান্ত পৰ্য্যায়ত আছো। আমি আপোনালোকৰ সাক্ষ্য বিচাৰি অনুৰোধ জনাইছো, হ'ব পাৰে দহ শাৰীত তেওঁৰ পৰিচৰ্য্যাৰ যোগেদি আত্মিক বৃদ্ধিত কি ভাবে প্ৰভাৱিত হৈছে। তাৰ বিস্তাৰিত বিৱৰণ লিখি পঠাওক। অতিৰিক্ত ভাবে আপুনি যদি আত্মজীৱনীত অন্তৰ্ভূক্তৰ বাবে এটি ছবি দিব পাৰে তেন্তে আমি আপোনাক প্ৰশংসা কৰিম।



**পালক চাম ছেলভা ৰাজৰ আত্মজীৱনীৰ দল**

আমি পৰৱৰ্ত্তী মাহৰ কাষলৈ আহি পোৱাৰ লগে লগে বাইবেল কলেজৰ পৰা পঞ্চাশ গৰাকী ছাত্ৰ-ছাত্ৰীক সহায় কৰি আছো আৰু তেওঁলোকে পাঠ্যক্ৰম শেষ কৰিবলৈ যুগুত হৈ আছে। এই নিষ্ঠাৱান ব্যক্তিসকলে অতি সোনকালে ভিতৰুৱা আৰু প্ৰত্যাহ্বান থকা অঞ্চলত প্ৰৱেশ কৰি নিজৰ পৰিচৰ্য্যাৰ প্ৰয়াসক আৰম্ভ কৰিব। উপাধিকৰণ অনুষ্ঠানটি ১ জন ২০২৪ তাৰিখে হ'বলৈ নিৰ্ধাৰিত মুহূৰ্তৰ দৰে চিহ্নিত হ'ব। ইতিমধ্যে, আমাৰ নহিমিয়া বাইবেল কলেজৰ নতুন ছাত্ৰ-ছাত্ৰীসকলৰ ক্লাচসমূহ অহা জুন মাহৰ ৩,২০২৪ তাৰিখে আৰম্ভ হ'ব।

## আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

HON. EDITOR-IN-CHIEF
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.
HON. MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
GENERAL MANAGER
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM., MBA.
ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
EDITORIAL BOARD
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Sis. L. Mariya Anjalin, M.A., M.Sc., B.Ed.
Rev. Dr. K.R. Rajasekaran
EDITOR, PUBLISHER & PRINTER

Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858
E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com
YOUTUBE CHANNEL
Echo of His Call

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) ☼ BIBLECOR - Postal Courses (3 languages) ☼ YouTube Ministry ☼ Online Courses ☼ Theological Correspondence Courses (2 languages) ☼ Church Planting ☼ Nehemiah Bible Colleges ☼ Gospel Printing Press ☼ Great Commission Partners ☼ St. Paul's Matriculation School ☼ Crusades ☼ Community Development

নহিমিয়া বাইবেল কলেজৰ বাবে হিন্দী ভাষাত লিখিবলৈ আৰু পঢ়িবলৈ পৰা ছাত্ৰ-ছাত্ৰীসকলক চিহ্নিত কৰিবলৈ আপোনালোকৰ নিৰন্তৰ প্ৰাৰ্থনাৰ বাবে অনুৰোধ জনালোঁ। তাৰোপৰি, এই পৰিচৰ্য্যাত সমস্ত প্ৰচেষ্টাৰ বাবে প্ৰভুৰ নিৰ্দেশনা আৰু ব্যৱস্থাক বিচাৰি প্ৰাৰ্থনা কৰিছো। আমাৰ গ্ৰাম্য হাইস্কুল আৰু চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু অনুষদসকলক ভৰ্ত্তিকৰণত ঈশ্বৰৰ স্বৰ্গীয় হস্তক্ষেপ বিচাৰি একলগ হৈ প্ৰাৰ্থনা কৰোহক।

অসংখ্য প্ৰত্যাহ্বান, বাধা আৰু অভাৱৰ সন্মুখত প্ৰাৰ্থনাৰ ওপৰত আমাৰ নিৰ্ভৰতা আগতকৈয়ো অধিক গুৰুত্বপূৰ্ণ হৈছে। এইটো মাত্ৰ ঈশ্বৰৰ অনুগ্ৰহ কৰিব পাৰো বুলি জানি আমাৰ পৰিচৰ্য্যাৰ পক্ষত আপোনালোকৰ মধ্যস্থতাক কামনা কৰিছো।

যিদৰে আমি আপোনাক আমাৰ প্ৰাৰ্থনাত ধৰি ৰাখিছো, প্ৰভুৰ অসীম কৃপা আপোনাৰ ওপৰত প্ৰচুৰ পৰিমাণে থাকক। আমেন।

পালক এলেক্স চামচন চাম আৰু
এচ, চাম ছেলভা ৰাজ
(+91) 98412 71858 / 98410 71858,
Email : sam@echoofhiscall.org

## মনোযোগ দিয়ক ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পঢ়োৰৈসকল

তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী ভাষাত (প্ৰতিদিনে) আমাৰ ৫ মিনিট তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইউটিউব বাৰ্ত্তাসমূহ শুনি আপুনি ঈশ্বৰৰ অনুগ্ৰহক গ্ৰহণ কৰিব পাৰিব। মোৰ মোবাইল নম্বৰ কেইটাক চেভ কৰি লওক (+91)9841071858, (+91)9841271858 (ব্যক্তিগত)।

*- পালক এচ, চাম ছেলভা ৰাজ*

*....Contd. from page 1*

## ঈশ্বৰৰ মাতৃপ্ৰেম!

নিস্বাৰ্থ বলিদানসংক্ৰান্তীয় প্ৰেমৰ কথা ভাবোতে যীচু খ্ৰীষ্টৰ প্ৰেমৰ প্ৰতি প্ৰতিফলিত হ'বলৈ মোক চলায়, যিসকলে স্বইচ্ছাৰে আমাৰ পৰিত্ৰাণৰ বাবে ক্ৰুচত নিজৰ জীৱন দিলে তেওঁৰ নিঃস্বাৰ্থ কাৰ্য্যই তেওঁৰ জীৱনক উৎসৰ্গিত কৰিলে, যাতে আমি বাচি থাকিব পাৰিম, এটা অসাধাৰণ প্ৰেমৰ উদাহৰণ। যেতিয়া আমি ঈশ্বৰৰ প্ৰেমক প্ৰায় পৈতৃক পৰিভাষাত উপলব্ধি কৰো-পথপ্ৰদৰ্শক, সুৰক্ষা, নিয়মানুবৰ্তিতা শাস্ত্ৰপাঠেও ঈশ্বৰৰ মাতৃত্বৰ চৰিত্ৰবিলাকক অনেক ক্ষেত্ৰত চিত্ৰিত কৰে।



যিচিয়া ৬৬ঃ১৩ পদে ঈশ্বৰক এগৰাকী সান্ত্বনা দিয়া মাতৃৰ দৰে চিত্ৰিত কৰে আৰু মথি ২৩ঃ৩৭পদে ঈশ্বৰক এগৰাকী বলিদানকাৰী আৰু নিঃস্বাৰ্থ মাতৃৰ প্ৰেমৰ লগত তুলনা কৰে।

এফালে আমি ঈশ্বৰৰ মুখামুখি হওঁ এজন কঠোৰ শৃংখলাবাদী যিজনে হিচাবে সংশোধন কৰে আৰু আমাক শিক্ষা দিয়ে, আনফালে আমি তেওঁক এগৰাকী লালন পালনকাৰী মাতৃ হিচাপে দেখো যাৰ প্ৰেম নিস্বাৰ্থ, আমাৰ ত্ৰুটিবিলাকক ঢাকি ৰাখে আৰু সোধবিচাৰ নকৰাকৈ আমাক ভৰণ-পোষণ প্ৰদান কৰে।

এই বিশেষ সময়ত, মই প্ৰাৰ্থনা কৰো যাতে ঈশ্বৰৰ মাতৃত্ব আলিঙ্গনে আপোনাৰ ক্ৰমাগত সহায় আৰু সঙ্গী হৈ থাকিব, বিশেষকৈ অকলশৰীয়া মুহূৰ্তত। আপোনাৰ প্ৰতিটো খোজত তেওঁৰ উপস্থিতিয়ে তেওঁৰ নিস্বাৰ্থ প্ৰেমেক সান্ত্বনা দি আশ্বত্ব কৰে।

## বাইবেলৰ মাতৃসকল!

ঈশ্বৰৰ মাতৃত্বৰ গুণবিলাকৰ বিষয়ে চিন্তা কৰোতে মোৰ ধ্যান বাইবেলত থকা অনেক মাতৃসকলৰ ফালে আকৰ্ষিত হৈছে যিসকলে প্ৰত্যাহ্বানৰ পৰিস্থিতিৰ মাজতো তেওঁলোকৰ পৰিয়ালসকলক প্ৰতিপালনত দৃঢ়তা প্ৰদৰ্শন কৰিছে। তেওঁলোকৰ মাজত এটি চিত্ৰ উল্লেখযোগ্যভাবে ৰৈ আছেঃহাগাৰ।

## ১। হাগাৰ কোন আছিল?

বহুতে হয়তো হাগাৰৰ কাহিনীক জানে কিন্তু মই তাইৰ বিষয়ে নজনাসকললৈ পৰিচয় কৰাই দিব বিচাৰো, হাগাৰ এনে এটা নাম যাৰ অৰ্থ হৈছে, "পৰিত্যাগ" বা "পলায়ন" অনিৰাপত্তাৰ জীৱনৰ এটি প্ৰতীক, স্বীকৃতিৰ পৰা বঞ্চিত আৰু উপহাসৰ চিকাৰ হোৱা। প্ৰকৃততে তাই মিচৰৰ পৰা অহা এজনী দাসী আছিল, তাই অব্ৰাহাম আৰু চাৰা নামৰ এটি সন্তানহীন পৰিয়ালত আহি দাসী হৈ আছিল। হঠাৎ এটি অপ্ৰত্যাশিত পৰিৱৰ্ত্তন আহিল, চাৰাই তাইক অব্ৰাহামলৈ বিবাহ কৰি দিলে, বংশধৰৰ আশাত।

## দয়া কৰি প্ৰাৰ্থনা কৰক!

২০২৪ ৰ এপ্ৰিল আৰু মে মাহত গ্ৰীষ্মকালীন দেওবৰীয়া স্কুল আমাৰ পৰিচৰ্য্যাৰ যোগেদি গোটেই পৃথিবীত অনুষ্ঠিত কৰিবলৈ লৈছো। আমি আপোনাৰ প্ৰাৰ্থনাৰ সহায় বিচাৰিছো।

*- সম্পাদক*

এক মুহূৰ্ততেই সেই পৰিয়ালত হাগাৰৰ মৰ্যদা একেবাৰে নিম্নখাপৰ পৰা, দাসীৰ পৰা পৰিয়ালটোত দ্বিতীয় উল্লেখযোগ্য নাৰীলৈ পৰিৱৰ্ত্তন হৈছিল। পৰৱৰ্তীকালত, তাই এটি সন্তান জন্ম দিছিল, তাৰ নাম ইশ্মায়েল দিছিল। তাইৰ মৰ্যদাক আৰু উন্নত কৰি নিসন্দেহে, হাগাৰে তাইত অৱশ্যে তাইৰ নতুনত্ব পোৱাৰ গুৰুত্বক প্ৰকাশ কৰিছে। বিশেষকৈ অব্ৰাহামৰ প্ৰধান ভাৰ্য্যাচাৰালৈ তাইৰ আচৰণত আৰু তাইৰ প্ৰতিক্ৰিয়াত। অব্ৰাহামেও সম্ভৱত এজন উত্তৰাধিকাৰী পোৱাত আনন্দিত হৈছিল। তেওঁ জ্ঞাত নাছিল যে ঈশ্বৰে তেওঁৰ বংশৰ বাবে বেলেগ পৰিকল্পনা কৰি ৰাখিছিল। যি হওক হাগাৰৰ মনোভাৱ চাৰাৰ বিৰক্তিৰ প্ৰতি ঘনীভূত হৈ উঠিল, ফলস্বৰূপে হাগাৰলৈ দুৰ্ব্যৱহাৰহ'ল। ঈশ্বৰৰ প্ৰতিশ্ৰুতি অনুযায়ী চাৰাই এটা পুত্ৰ জন্ম দিলে, তেওঁ নিজ পুত্ৰ ইচহাকৰ ধাৰণাৰ মতে সিদ্ধান্ত ল'লে। ফলস্বৰূপে, চাৰাই হাগাৰ আৰু ইশ্মায়েলক খেদি দিবলৈ অব্ৰাহামক বাধ্য কৰালে। এইদৰে হাগাৰ স্বামীৰ দ্বাৰাই পৰিত্যক্ত হৈ অৰণ্যত গৈ পালে, তাইৰ নামৰ অৰ্থটো ইয়াতো ওলায় আছে। অকলশৰীয়া আৰু নিৰাশ্ৰয়, তাইৰ পুত্ৰ ইশ্মায়েলৰ সৈতে অৰণ্যত ভ্ৰমি ফুৰিছিল, বাইবেলৰ কাহিনীত এইটো এটা মাতৃসকলে সন্মুখীন হোৱা দুখজনক পৰীক্ষাবিলাকৰ দৰে আছিল।

## ২। অনিচ্ছুক অংশগ্ৰহণকাৰী - হাগাৰ!

হাগাৰক অব্ৰাহামলৈ বিয়া দিয়াৰ বিষয়ে কোনেও তাইৰ আলোচনা নকৰিলে বা তাই অব্ৰাহামৰ পৰা বিদায় ল'বলৈ ইচ্ছা কৰিছে নে নাই তাৰো সন্ধান নকৰিলে। তাইৰ গোটেই জীৱনটোত তাইৰ পছন্দবোৰ কি হ'ব লাগে আনেহে দেখুৱাই দিছিল, তাইক অনিচ্ছিত অংশগ্ৰহণকৰাতে ৰাখি থৈছিল, অনিচ্ছুক অংশগ্ৰহণকাৰী হৈ থকাৰ অনুভূতিক আমাৰ কিমানে সহানুভূতি দেখুৱাব? স্বশাসনৰ অভাৱটো স্পষ্টকৈ দেখা দিছে। তাইৰ নিজৰ কোনো অধিকাৰ নাছিল। কোনো পুৰুষ বা মহিলাই হওক, দুখ কৰি ক'ব যে,“মোৰ জীৱনৰ সকলো সিদ্ধান্ত কোনোবাইহে লয়, কোনেও মোৰ দুখ বুজি নাপায়, মোৰ ইচ্ছা আৰু অনিচ্ছাৰ বিষয়ে কোনেও চিন্তা নকৰে। মই এতিয়া নিজকে দেখিছো যে আনৰ সিদ্ধান্তৰ দ্বাৰাই মোৰ জীৱনটো চলি আছে।”

প্ৰিয় বন্ধুসকল, বাইবেলে আমাক নিশ্চিত কৰি কয় যে, “তেওঁ মঙ্গলৰ অৰ্থে সকলো উত্তম কাৰ্য্য একেলগে কৰিছে” যদিহে আমি আমাৰ ভাৰসাক ঈশ্বৰত ৰাখিম। যদিও বৰ্ত্তমানত এইটো অজ্ঞাত যেন লাগিব পাৰে, ঈশ্বৰৰ সম্মতিৰ অবিহনে একোৱেই নহয়। আনকি আমাৰ বেয়া পৰিস্থিতিত আমাক সহায় কৰিবৰ বাবে তেওঁৰ ক্ষমতা আছে। প্ৰভু যীচু খ্ৰীষ্টত এনে ধৰণৰ অসীম শক্তি আছে। তেওঁ যিকোনো পৰিস্থিতিক আমাৰ পক্ষত আনিব পাৰে, যদিও আমি গমি চাব নোৱাৰো, হাগাৰৰ দৰে, ঈশ্বৰে যি আমাৰ বাবে নিৰ্ধাৰিত কৰি ৰাখিছে, যদি আমি তেওঁত ভাৰসা কৰিম, তেওঁ সকলো বস্তুক আমাৰ পক্ষত মিলাই দিব। গীতমালা ৩১ঃ১৫ পদত পাওঁ তোমাৰ হাতেতেই সকলো সময়বোৰ আছে। গতিকে যদি আপুনিও হাগাৰৰ দৰে অৰণ্যত আছে, আগত কি আছে তাক নাজনে বা ভৱিষ্যতে কি হ'বগৈ তাক কল্পনাই কৰিব পৰা নাই। মনত ৰাখিব ঈশ্বৰৰ নিয়ন্ত্ৰণত আছে। তেওঁ আপোনাৰ পথবোৰক ঠিক কৰিব। আপুনি কেৱল তেওঁৰ হাতক ধৰক আৰু আপোনাৰ ইচ্ছাক তেওঁলৈ সমৰ্পন কৰক, হাগাৰৰ উদাহৰণক আইনৰ দৰে ৰাখক।

বাইবেলে আদিপুস্তক ২১ঃ১৪ পদত বৰ্ণনা কৰিছে, “পিছদিনা অব্ৰাহামে নিচেই পুৱাতে



মৰুভূমিত হাগাৰ তাইৰ পুত্ৰৰ সৈতে

....Contd. to page 6

NEHEMIAH BIBLE
RESIDENTIAL / EVENING COLLEGE,
Velachery / Chepauk & Santhoshapuram, Chennai.
Medium : Hindi / Tamil
Registered Candidate for Membership
Asia Theological Association (ATA)
Recognised by International Christian Leaders & Senior Pastors for the past 54 years
Qualification : 10th Standard & above
Certificate in Ministry
Diploma in Theology
Rush for admission!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ONLINE CLASSES ARE AVAILABLE ✶

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২৪ চনৰ ১৯ মে'ৰ পৰা ২০২৪ চনৰ ১৮ জুনলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

মে' ১৯ - আমাৰ চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়ল'জিকেল যোগাযোগ পাঠ্যক্ৰম, দৰিদ্ৰ লোকসকলক সেৱা কৰিবলৈ।

মে' ২০ - আমাৰ তৰ্জমাকাৰীসকল, সহকাৰী সম্পাদকসকল, সহ-পৰিচালকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত আশীৰ্বাদ থকাৰ বাবে।

মে' ২১ - সকলো মন্দ শক্তিৰ পৰা আমাৰ জেষ্ঠ পালক আৰু তেওঁৰ পৰিয়ালবৰ্গক নিৰাপত্তা দিয়াৰ বাবে।

মে' ২২ - আমাৰ প্ৰাৰ্থনাৰ যুজাঁৰুসকল, প্ৰকাশন অংশীদাৰীসকল, বিশ্বাসৰ অংশীদাৰসকল, জীৱনজোৰা অংশীদাৰসকল আৰু প্ৰধান আজ্ঞাৰ অংশীদাৰসকলৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গক তেওঁৰ দুবাহুৰ আলিংগনত ৰখাৰ বাবে।

মে' ২৩ - আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়ল'জিকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধিৰ বাবে।

মে' ২৪ - আমাৰ আটাই পৰিচৰ্য্যাৰ আৱশ্যকীয় বস্তুবিলাকক আচৰিতভাবে ব্যৱস্থা কৰি দিয়াৰ বাবে কৃতজ্ঞতাৰে স্বীকাৰ কৰিছো।

মে' ২৫ - আমাৰ কেন্দ্ৰীয় মণ্ডলী আৰু শাখা মণ্ডলীৰ বিশ্বাসীসকলক আশীৰ্বাদ কৰাৰ বাবে।

মে' ২৬ - সকলো দেশত বিশৃঙ্খলতা আৰু ভাবুকি থকাৰ মাজত স্বৰ্গীয় সুৰক্ষাৰ বাবে।

মে' ২৭ - ৰাজনৈতিক আৰু ধৰ্মীয় বিৰোধৰ মাজতো আমাৰ খ্ৰীষ্টিয়ান পৰিচৰ্য্যাসমূহ একেৰাহে উন্নতিত আছে।

মে' ২৮ - সমাজৰ সকলো বিভাগত নাৰীসকলৰ ক্ষমতায়ন অধিকাৰৰ উকালতীৰ বাবে।

মে' ২৯ - আমাৰ চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলত ভাল খ্ৰীষ্টিয়ান শিক্ষকবৃন্দ আৰু অধ্যক্ষক আশীৰ্বাদ কৰাৰ বাবে।

মে' ৩০ - আমাৰ পালকসকল আৰু মূখ্য মণ্ডলী আৰু শাখা মণ্ডলীসমূহত জ্যেষ্ঠ নেতাসকলক আশীৰ্বাদ কৰাৰ বাবে।

মে' ৩১ - তেওঁৰ আহবানৰ প্ৰতিধ্বনীৰ পৰিচৰ্য্যাসমূহৰ কৰ্মকৰ্ত্তাসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক নিৰাপদে ৰখাৰ বাবে।

জুন ১ - আমাৰ বাসগৃহ আৰু সন্ধ্যাৰ নহিমিয়া বাইবেল কলেজৰ নতুন ছাত্ৰ-ছাত্ৰীসকলক দিয়াৰ বাবে।

জুন ২ - আমাৰ শুভবাৰ্ত্তাৰ প্ৰিন্টিং প্ৰেছ আৰু ইয়াৰ দক্ষ কৰ্মকৰ্ত্তাসকলৰ বাবে।

জুন ৩ - আমাৰ পাঁচ মিনিটৰ ইউ টিউব বাৰ্ত্তাৰ শ্ৰোতাসকল আৰু সাক্ষ্যদানৰ সংখ্যা বৃদ্ধিৰ বাবে আনন্দ লাভ কৰিছো।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

জুন ৪ - যুৱ প্ৰজন্মৰ মাজত হিংসা আৰু হত্যাৰ আত্মাৰ পৰা উদ্ধাৰ পাবলৈ আৰু তেওঁলোক পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ'বৰ বাবে।

জুন ৫ - সকলো পৰিয়ালৰ মাজত শান্তি বৰ্ত্তি থাকিবলৈ।

জুন ৬ - পৃথিৱীব্যাপী খ্ৰীষ্টিয়ান শিক্ষা মূলক অনুষ্ঠানবিলাকত ভাল খ্যাতি বজাই ৰাখিবলৈ।

জুন ৭ - খ্ৰীষ্টিয়ানসকলে ঈশ্বৰৰ বাক্যক গ্ৰহণ কৰিবলৈ আৰু খ্ৰীষ্টৰ দৰে স্বভাৱ গঢ়ি তুলিবলৈ।

জুন ৮ - আমাৰ পৰিচৰ্য্যা বিস্তাৰৰ বাবে আৰু শুভাবাৰ্ত্তাৰ গোলকীয় বিস্তাৰৰ বাবে।

জুন ৯ - আমাৰ জেষ্ঠ পালকৰ আত্ম-জীৱনী লিখাত কৃতকাৰ্য্য হ'বলৈ।

জুন ১০ - মণ্ডলীসমূহত অনিষ্টকাৰী শক্তিৰ বিৰুদ্ধে স্বৰ্গীয় নিৰাপত্তা আহবানৰ বাবে।

জুন ১১ - দেশসমূহত শান্তিৰ আৰু আৰ্থিক উন্নতিৰ বাবে।

জুন ১২ - ঈশ্বৰৰ বাক্য নোপোৱা অঞ্চলত বাক্য বিলাবলৈ ক্ষমতাৰ বাবে।

জুন ১৩ - বিভিন্ন দিশত আৰু মাত্ৰা শুভবাৰ্ত্তা বিস্তাৰৰ বাবে।

জুন ১৪ - আমাৰ খ্ৰীষ্টিয়ান অনুষ্ঠানসমূহত আশীৰ্বাদ আৰু নিৰাপত্তা পাবলৈ।

জুন ১৫ - আমাৰ বাসগৃহ আৰু সন্ধ্যাৰ নহিমিয়া বাইবেল কলেজত ২০২৪-২৫ বৰ্ষৰ বাবে যোগ্য ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ বাবে।

জুন ১৬ - ২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবে আমাৰ চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলত নতুন ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তিৰ বাবে।

জুন ১৭- আমাৰ সমৰ্থনকাৰী, শুভ চিন্তক, আৰু বন্ধুসকল যিয়ে নেকি আমাৰ পৰিচৰ্য্যাৰ বাবে প্ৰাৰ্থনা আৰু আৰ্থিক অনুদান আগবঢ়াই।

জুন ১৮ - যাতে আমি এই পৃথিৱীত অসংখ্য দৰ্শনবিলাকক পাম।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

উঠি কিছু পিঠা আৰু ছালেৰে তৈয়াৰী পানী ভৰা এটা মোনা লৈ হাগাৰৰ কান্ধত তুলি দিলে। তাৰ পাছত ইশ্মায়েলকো শোধাইদি তেওঁলোক দুয়োকো বিদায় দিলে। পাছত দুয়ো আঁতৰি গ'ল আৰু বেৰ-চেবাৰ মৰুপ্ৰান্তত ভ্ৰমি ফুৰিছে। (আদিপুস্তক ২১ঃ১৪)। অব্ৰাহাম এজন ধনী লোক আছিল, হতবুদ্ধি কৰি কিছু পিঠা আৰু ছালেৰে তৈয়াৰী পানী ভৰা এটা মোনা লৈ হাগাৰক দিলে। এজনে তেওঁৰ পৰা আৰু উদাৰভাবে প্ৰদানৰ আশা কৰিব। সম্ভৱত তাইৰ লগত চাকৰ আৰু পৰ্যাপ্ত ব্যৱস্থা পঠাব পাৰিলেহেতেন কিন্তু তেওঁ তেনে নকৰিলে। সম্ভৱত তেওঁ হাগাৰৰ বাবে ঈশ্বৰক তাইৰ প্ৰদানকাৰী আৰু আশ্ৰয় হিচাবে অনুভৱ কৰাবলৈ বিচাৰিছিল। তথাপি তেওঁৰ উদ্দেশ্য অস্পষ্ট হৈছিল।

হাগাৰক পৰিত্যক্ত আৰু অকলশৰীয়া কৰা হৈছিল, এগৰাকী অকলশৰীয়া মাতৃ হিচাপে নিজ পুত্ৰক প্ৰতিপালন কৰাৰ কঠিন কাৰ্য্য সন্মুখীন হৈছিল। বাইবেলত পাওঁ "তোমালোকৰ সৃষ্টিকৰ্তাই তোমালোকৰ স্বামী, তেওঁৰ নাম কাহিনীবিলাকৰ যিহোৱা। ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰজনা তোমালোকৰ মুক্তিদাতা, তেওঁ সমগ্ৰ পৃথিৱীৰ ঈশ্বৰ বুলি প্ৰখ্যাত"(যিচয়া ৫৪ঃ৫)। তেনে মহিলাসকলক বাইবেলে নিশ্চিত দি কয় যে ঈশ্বৰ তেওঁলোকৰ স্বামী আৰু যোগাওঁতা হয়, সান্ত্বনা আৰু উৎসাহ যোগায়।

## ৩। হাগাৰ আৰু তেওঁৰ সন্তান!

সেই অগ্নিপৰীক্ষা নিসন্দেহে হাগাৰ



**হাগাৰে তাইৰ পুত্ৰৰ বাবে ক্ৰন্দন কৰিছে**

আৰু তেওঁৰ পুত্ৰ দুয়োকে ক্লান্তিকৰ কৰিছিল, পুত্ৰৰ পতনৰ চূড়ান্ত পৰিণতি হাগাৰৰ সন্তানৰ আসন্ন মৃত্যুক প্ৰত্যক্ষ কৰাটো অৱশ্যে তাই বাবে হৃদয় বিদাৰক আছিল। আদি পুস্তক ২১ঃ১৬ পদত লিখা আছে,"ল'ৰাৰ চকুৰে চাই থাকিব নোৱাৰো।" তাই পুত্ৰক বচাবলৈ বহুত কান্দিছিল, তথাপি শেষ পযৰ্ন্ত শক্তিহীন আছিল, এটি প্ৰিয় সন্তানক বুকুতে চপায় ধৰি থাকোতে যদি মৃত্যু হয়, তেন্তে কল্পনা কৰক মাতৃৰ কিমান যন্ত্ৰণা হয়। তাইৰ সান্ত্বনা বিচাৰি কান্দি আছিল।

এগৰাকী মাতৃৰ সুন্দৰ বৈশিষ্ট্য চিন্তা কৰাৰ সময়তো আমি প্ৰত্যক্ষ কৰো কিভাবে ঈশ্বৰে মাতৃসকলক তেওঁলোকৰ সন্তানসকলৰ বাবে আশীৰ্বাদৰ জল-প্ৰণালীৰ দৰে নিয়োগ কৰে।

## এগৰাকী মাতৃৰ তেওঁৰ পুত্ৰৰ বাবে ঈশ্বৰলৈ নিৰন্তৰ মিনতি!

### ক) যেতিয়া মাতৃয়ে ক্ৰন্দন কৰিছিল, ঈশ্বৰে তেওঁৰ পুত্ৰৰ কঠিন প্ৰয়োজনক বুজিলে!

১৭পদত যেতিয়া তেওঁলোকৰ পানীৰ সৰবৰাহ কমি যায়, হাগাৰ আৰু তেওঁৰ পুত্ৰ দুয়োৰে শক্তিৰ পৰিত্যাগ হ'ল, হতাশাত পৰিল। হাগাৰ বেদনাত বিধস্ত হৈছিল, তাইৰ পুত্ৰৰ মৃত্যুক প্ৰত্যক্ষ কৰিব নোৱাৰিলে। দিশহীন বা আশাহীন মৰুভূমিত উদ্দেশ্যহীনভাবে বিচৰণ কৰিছিল। যিহেতু তেওঁলোকৰ ব্যৱস্থা শেষ হৈ গৈছিল, তাইৰ পুত্ৰৰ মৃত্যুৰ ভাবুকিত অসঙ্গ হৈ গৈছিল।

"তাৰ পাছত অলপ আঁতৰতে প্ৰায় এটা কাড় মাৰিলে যোৱা দূৰত্বমানলৈ গৈ হাগাৰ বহি থাকিল। "ল'ৰাৰ মৃত্যু মই চকুৰে চাই থাকিব নোৱাৰো" বুলি কৈ তেওঁ তাতে বহি উচুপি উচুপি কান্দিবলৈ ধৰিলে (আদিপুস্তক ২১ঃ১৬)।

যেতিয়া এগৰাকী মাতৃয়ে ক্ৰন্দন কৰে, ঈশ্বৰে তেওঁৰ সন্তানৰ দুৰ্দশাক লক্ষ্য কৰে, আমাৰ প্ৰাৰ্থনাৰ যোগেদি ঈশ্বৰে কেৱল আমাক শুনে এনে নহয় কিন্তু আমাৰ চকুলোকো লক্ষ্য কৰে আৰু আমাৰ যান্ত্ৰনাকো অনুভৱ কৰে। আমাৰ প্ৰতিটো চকুলোৰ টোপালবিলাকক ঈশ্বৰৰ বটলত জমা হৈ আছে (গীতমালা ৫৬ঃ৮) যেতিয়া মাতৃসকলে মধ্যস্থতা কৰি তেওঁলোকৰ সন্তানসকলৰ বাবে প্ৰাৰ্থনা কৰে তেতিয়া ঈশ্বৰে তেওঁলোকৰ অভাৱবিলাকৰ যত্ন লয়। যেতিয়া বাইবেলত "লৰাটিৰ কান্দোন" ঈশ্বৰে শুনিলে বুলি কয়, এইটো মাতৃৰ কান্দোন আছিলে যাৰ বাবে ঈশ্বৰে উত্তৰ দিলে। হাগাৰৰ দৰে সাহসী ক্ৰন্দন বিলাকক ঈশ্বৰে শুনে এনে নহয় কিন্তু ইশ্মায়েলৰ দৰে নিৰ্জন প্ৰাৰ্থনাবিলাককো ঈশ্বৰে শুনে।

যদি আপুনি নিৰন্তৰ আপোনাৰ সন্তানৰ বাবে প্ৰাৰ্থনা কৰি আছে, যিকোনো কাৰণ থাকিব পাৰে, ঈশ্বৰলৈ ক্ৰন্দন কৰি কওক, কিয়নো তেওঁহে কেৱল আপোনাৰ সন্তানটিৰ প্ৰয়োজনবিলাকক পৰিপূৰ্ণ কৰিব পাৰে। এনে

*....Contd. to page 9*


## নহিমিয়া বাইবেল কলেজ

## উপাধি প্ৰদান কাৰ্য্যসূচী, ২০২৩-২০২৪





স্থান ঃ বি.কে.এন হল, পুৰাচাৱালকাম, চেন্নাই - ০৭
তাৰিখ ঃ ১ জুন, ২০২৪ (শনিবাৰ)
সময় ঃ সন্ধ্যা ৫.০০ বজাত

প্ৰায় ৫০ জন ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ শিক্ষা সম্পূৰ্ণ কৰিলে আৰু মিশ্বন ফিল্ডলৈ পঠিওৱা হ'ল।

২০২৪-২০২৫ বৰ্ষৰ শিক্ষাবৰ্ষৰ বাবে তামিল আৰু হিন্দী পাঠ্যক্ৰমৰ বাবে ৭৫ জন ছাত্ৰ-ছাত্ৰীৰ আমাক প্ৰয়োজন। ইয়াৰ বাবে অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক।

## MAIN CHURCH PROGRAMMES

| | | |
|---|---|---|
| 1. | Prayer Service | : 24 hours |
| 2. | **ECHO OF HIS CALL** - Monthly Magazines :English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan. | |
| 3. | **BIBLECOR -** Basic Bible Courses (English, Tamil & Hindi) | |
| 4. | Theological Correspondence Courses: English & Tamil | |
| 5. | Nehemiah Bible Colleges (Chepauk, Santhoshapuram & Velachery) | |
| 6. | Great Commission Partners (Network of Pastors) | |
| 7. | Training Programmes – Seminars & Retreats | |
| 8. | Crusades | |
| 9. | Literature Distribution and Follow Up | |
| 10. | Gospel Printing Press | - Publications |
| 11. | St. Paul's Matriculation School - Village English High School | |
| 12. | Sunday Schools (Chepauk) | : 10.30 a.m. Sunday & (Velachery, Balaji Nagar & Santhoshapuram) 3.00 p.m. Sunday |
| 13. | **Early Morning Service** | **: 5.30 a.m. Sunday** |
| 14. | **Preliminy Service** | **: 8.00 a.m. Sunday** |
| 15. | **Tamil Service** | **: 8.30 a.m. Sunday** |
| 16. | **Youth Meeting** | **: 11.00 a.m. Sunday** |
| 17. | **Fellowship Lunch** | **: 1.00 p.m. Sunday** |
| 18. | **Hindi Service** | **: 4.00 p.m. Sunday** |
| 19. | **Telugu Service** | **: 5.00 p.m. Sunday** |
| 20. | **English & Hindi Service** | **: 6.00 p.m. Sunday** |
| 21. | Feedback Time | : 7.30 p.m. Sunday |
| 22. | Women's Prayer | : 5.30 p.m. Wednesday |
| 23. | Men's Prayer | : 7.00 p.m. Friday |
| 24. | Discipleship Meeting | : 6.00 p.m. Saturday |
| 25. | House Meetings | : 6.30 p.m. Tuesday & Thursday |
| 26. | Special Holy Communion | : 6.00 a.m. 1st day of each month |
| 27. | Ministers' Meeting | : 6.00 p.m. First Saturday |
| 28. | Parents' Prayer | : 4.00 p.m. First Sunday |
| 29. | Night Prayer | : 9.30 p.m. Third Friday |
| 30. | Fasting Prayer | : 9:30 a.m. Second Saturday |
| 31. | Holy Communion | : Second Sunday Services |
| 32. | Youth / Kid Prayer | : 10.00 p.m. daily (over phone) |
| 33. | Staff Devotion | : 9.00 a.m. daily |
| 34. | Office | : 9.00 a.m. to 9.00 p.m. (except Sundays) |

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

# কি আচৰিত বন্ধু যীচু খ্ৰীষ্ট!

## মই জানো যে মোৰ উদ্ধাৰকৰ্ত্তা জীৱিত আছে - ইয়োব ১৯ঃ২৫

মোৰ পৰিচৰ্য্যাৰ প্ৰথম দিনবোৰত, মই ঈশ্বৰৰ দ্বাৰাই অনুমোদিত অসংখ্য পৰীক্ষা, কষ্ট সহ্য কৰিছো। আৰ্থিক সীমাবদ্ধতা মোৰ ওপৰত ইমানেই এটা গধুৰ বোজাৰ দৰে হৈ আছিল যে এটি স্থায়ী পৰিচৰ্য্যাক মূখ্য কাৰ্য্যালয় প্ৰতিষ্ঠাৰ সম্ভাৱনাক অপ্ৰাপ্য কৰিছিল, ফলস্বৰূপে মই মোৰ ক্ৰমাগত খোজত পালো যে মই বাৰে বাৰে বাসস্থান আৰু কাৰ্য্যালয় পৰিৱৰ্ত্তন কৰি আছো।

১৯৮০ চনত, দুৰ্দশাই মোক তীব্ৰতাৰে আঘাত কৰিছিল। জ্বৰত ভুগি আছিলো আৰু যন্ত্ৰনাদায়ক বিষ মোৰ গোটেই শৰীৰত প্ৰবাহিত হৈ আছিল। বিশেষকৈ মোৰ ডিঙিত মই বিষম কষ্ট পাইছিলো। মই নিজকে এটা শোচনীয় দুৰ্দশাত পৰা দেখিলো। মোৰ যন্ত্ৰনাৰ কাৰণটো আছিল যে যি অঞ্চলত মই পৰিচৰ্য্যা কৰি আছিলো তাৰ স্থানীয় জনগণে মোক বিছিন্ন আৰু অসমৰ্থিত কৰি ৰাখিছিল, মোৰ অসুস্থতা আৰু নিসঙ্গতাৰ গভীৰতাৰ সময়ত। মই এজন বন্ধুৰ কাষ চাপিলো আৰু মাত্ৰ এৰাতিৰ বাবে মোৰ লগত থাকিবলৈ অনুৰোধ কৰিছিলো, তেওঁক মই অতীতত সহায় কৰাৰ সত্বেও তেওঁ অসহায়ভাৱে প্ৰত্যাখান কৰিলে। মই নিৰ্জনত কষ্ট পায় থাকিলো, মই এটা অকল্পনীয় যন্ত্ৰণাৰ ৰাতি সহ্য কৰিলো।

পাছদিনা পুৱাবেলাত, দয়ালু আত্মাসকলে মোক এখন চৰকাৰী হস্পিতেললৈ লৈ গৈছিল, য'ত মোক পুনৰ এবাৰ অকলে মোৰ কষ্টক মোকাবেলা কৰিবলৈ পৰিত্যক্ত কৰি ৰখা হৈছিল। কষ্টকৰ দিনবোৰ সহ্য কৰাৰ পাছত, চিকিৎসা কতৃপক্ষই নিৰ্ধাৰিত কৰিলে যে অস্ত্ৰোপচাৰ অপৰিহাৰ্য আছিল। যি কি নহওক, মোৰ এই পৰিস্থিতিত মই এনে ধৰণৰ এটা পদ্ধতিক সংৰক্ষণ দিলো আৰু পৰিৱৰ্তে প্ৰাৰ্থনালৈ ঘুৰি গ'লো, ঈশ্বৰৰ ওচৰত মোৰ হৃদয়খনক বাকি দি পাৰ্থিৱ আৰামত বিকল্প থকা সত্বেও মোৰ পৰিচৰ্য্যাত যি যি সন্মুখীন হৈছিলো সেই প্ৰত্যাহবানবোৰক উচ্চাৰণ কৰিছিলো। যেতিয়া মোৰ জীৱনৰ পথৰ কথা ঈশ্বৰক জনালো তেতিয়া তেওঁ মোক উত্তৰ দিলে (গীতমালা ১১৯ঃ১৬) আৰু যেতিয়া এটা ভাগ্যবান ৰাতিত মই প্ৰাৰ্থনা কৰিছিলো, মই মোৰ ওপৰত ঈশ্বৰৰ নিৰাময় হাতৰ ঐশ্বৰিক স্পৰ্শক অনুভৱ কৰিছিলো। মোৰ দৃঢ় বিশ্বাসে মোৰ অস্তিত্বক প্লাবিত কৰিছিল আৰু মই অবিলম্বে তাত উপস্থিত থকা চিকিৎসকৰ ওচৰত মোৰ অভিজ্ঞতাৰ বিষয়ে ক'লো, সহানুভূতিৰ সৈতে প্ৰতিক্ৰিয়া কৰি চিকিৎসকজনে ক'লে, "মই বুজিছো, কিছুমান খ্ৰীষ্টিয়ানলোকে চিকিৎসা ল'বলৈ অস্বীকাৰ কৰে, তেওঁলোকে কয় যে যীচু খ্ৰীষ্টই তেওঁলোকক সুস্থ কৰিলে। এতিয়া আপুনিও তেনে ধৰণে সুস্থ হ'লো বুলি ক'লে"। তেওঁ মোক তেতিয়া অস্ত্ৰোপচাৰ কৰিবলৈ হেঁচা নিদিয়াকৈ আৰু ঔষধ খাবলৈ নিদিয়াকৈ যাবলৈ দিলে। সচাঁকৈয়ে মোৰ বিশ্বাসৰ অনুযায়ী ঈশ্বৰে তেওঁৰ শক্তিক প্ৰকাশ কৰিলে আৰু যিদৰে মই তেওঁত বিশ্বাস কৰিছিলো তেনেকৈয়ে মোক উদ্ধাৰ কৰিলে।



**যীচু খ্ৰীষ্টৰ স্বৰ্গীয় স্পৰ্শ!**

প্ৰায় ৩৬ বছৰৰ আগেয়ে, ঈশ্বৰে মোক সম্পূৰ্ণভাৱে সুস্থ কৰিলে আৰু তেতিয়াৰ পৰা মই সেই ৰোগত পৰা নাই। অসমান আৰু বেয়া ৰাস্তাত গাড়ীত যাত্ৰা কৰি থকা সত্বেও মই আজিলৈকে পিঠি বিষ বা ডিঙিত বিষ অনুভৱ কৰা নাই। মোৰ অফিচৰ কাম আৰু প্ৰচাৰ কাৰ্য্যক ধৰি মই প্ৰায়ে ২০ ঘন্টা ব্যস্ত থাকো, তথাপি ভাগৰে মোক কমেই কষ্ট দিয়ে। ঈশ্বৰৰ সুস্থ স্পৰ্শই কেৱল মোক যন্ত্ৰনাৰ পৰা ৰক্ষা কৰিলে এনে নহয় কিন্তু মোক প্ৰচুৰ পৰিমানৰ আশীৰ্বাদ কৰিছে। প্ৰথমে মোৰ লগত নতুন বন্ধুহে আছিল কিন্তু এতিয়া ঈশ্বৰে মোক সমস্ত পৃথিৱীত বন্ধুত্ব দিছে, মোৰ আৰু মোৰ পৰিচৰ্য্যাক আশীৰ্বাদ কৰিছে।

প্ৰিয় বন্ধু, আমাৰ প্ৰভু যীচু খ্ৰীষ্টই প্ৰধানভাৱে সকলোৰ ওপৰত থিয় দিয়ে, এই পৃথিৱীৰ অন্ধকাৰৰ মাজতো আমাক ৰক্ষা কৰে। তেওঁক প্ৰকৃত বন্ধু আৰু ঈশ্বৰৰূপে গ্ৰহণ কৰক আৰু তেওঁ সঠিক সময়ত ধাৰ্মিকতাৰ পথ স্পষ্ট কৰি দিব। যদি আপুনি তেওঁক আপোনাৰ প্ৰভু আৰু ত্ৰাণকৰ্ত্তাৰূপে গ্ৰহণ কৰা নাই, তেন্তে এতিয়াই কৰক, আৰু তেওঁৰ স্বৰ্গীয় অধীনত পৰিচৰ্য্যাৰ যাত্ৰা আৰম্ভ কৰক। তেওঁৰ নেতৃত্বত মোক প্ৰতিদিনে ধৰি ৰাখে আৰু মই আত্মবিশ্বাসী যে তেওঁ আপোনাৰ বাবেও একেদৰে কৰিব।

যিচিয়া ৪৩ঃ১৯ পদে কয়... "মই অৰণ্যৰ মাজত পথ আৰু মৰুভূমিৰ মাজত নদীবোৰ উৎপন্ন কৰিম।"

❖❖❖❖❖

....Contd. from page 6

এজন প্ৰভুক বিচাৰক যিজনে ক্ৰুচত তেওঁৰ মৃত্যু আৰু জী উঠাৰ দ্বাৰাই আমাৰ সকলোৰ বাবে জয়যুক্তক প্ৰদান কৰিলে।

**খ) যেতিয়া মাতৃয়ে ক্ৰন্দন কৰিলে, তেওঁ পুত্ৰৰ স্থানত থিয় হ'লঃ**

হাগাৰে পুত্ৰৰ কৰ্ত্তব্যক বুজি পালে আৰু যেতিয়া পুত্ৰই এটা বাক্যও উচ্চাৰণ কৰাৰ শক্তি নাপালে, তেওঁ প্ৰাৰ্থনা কৰিলে। এই দুৰ্দশাৰ সময়ত এগৰাকী মাতৃৰ প্ৰেমে তেওঁৰ পুত্ৰৰ হৈ প্ৰাৰ্থনা কৰিলে। পুত্ৰৰ শক্তি আৰু ইচ্ছা হতাশাত পৰিণত হ'ল। তথাপি তেওঁৰ পৰিৱৰ্তে মাতৃয়ে উচ্চ স্বৰেৰে ক্ৰন্দন কৰিলে। মাতৃত্বৰ বলিদান প্ৰকৃতিৰ এইটো এটা ব্যৱস্থা হয়, আমাক সন্তানবিলাকৰ বাবে মধ্যস্থতা কৰিবলৈ উৎসাহ দিছে। সম্ভৱত আপোনাৰ এজন পুত্ৰ বা এজনী কন্যা আছে, ঈশ্বৰৰ প্ৰেমৰ পৰা বিছিন্ন হ'ব পাৰে, জীৱনত সংগ্ৰাম কৰিব পাৰে বা মানসিক অশান্তিত ভুগিব পাৰে। আনকি যদিও তেওঁলোকে প্ৰাৰ্থনা আৰু বিশ্বাসক অপ্ৰচলিত বুলি ভাবে আপুনি তেওঁলোকৰ হৈ মাজত থিয় হওক। মাজত থিয় হবলৈ হ'লে এগৰাকী মাতৃয়ে তেওঁলোকৰ আত্মিক আৰু জাগতিক প্ৰয়োজনীয় বস্তুবিলাকৰ বাবে প্ৰাৰ্থনা কৰক, তেওঁলোকৰ হৈ ঈশ্বৰলৈ নিবেদন কৰক।

যেতিয়া মাতৃয়ে প্ৰাৰ্থনা কৰিলে, ঈশ্বৰে শুনিলে আৰু উত্তৰ দিলে।

আমাৰ সন্তানসকলৰ মঙ্গলৰ বাবে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰিবলৈ আমাৰ এটা গভীৰ দায়িত্ব আছে। আহক মাতৃসকল, প্ৰাৰ্থনাত আমাৰ স্বৰবিলাকক ওপৰলৈ তুলোহক, আমাৰ সন্তান আৰু আমাৰ নাতি-নাতিনীসকলৰ বাবে ঈশ্বৰলৈ ক্ৰন্দন কৰোহক।

**গ) যেতিয়া মাতৃগৰাকীয়ে ঈশ্বৰলৈ কাতৰোক্তি কৰিলে, ঈশ্বৰে তেওঁৰ সন্তানক আশীৰ্বাদ কৰিলে আৰু ভৱিষ্যৰ পৰিকল্পনাক প্ৰকাশ কৰিলে। ১৮-২০ পদলৈকে**

যেতিয়া মাতৃয়ে কাতৰোক্তি আৰু নিবেদন কৰিলে, ঈশ্বৰে যে কেৱল আচৰিতভাৱে পানী যোগালে, এয়াই নহয় কিন্তু তেওঁৰ পুত্ৰৰ ওপৰত জীৱনো দান কৰিলে। তেওঁ তাক এটা শক্তিশালী শৰীৰলৈ পৰিৱৰ্তন কৰিলে, এটি মহান নিয়তিত ইঙ্গিত দিলে। তাৰোপৰি মাতৃৰ নিৰন্তৰ



হাগাৰৰ পুত্ৰ



ঈশ্বৰৰ দূতে হাগাৰক ক'লে

প্ৰাৰ্থনাৰ বাবে ঈশ্বৰে ইশ্মায়েলৰ ভৱিষ্যত মাতৃৰ ওচৰত প্ৰকাশ কৰিলে।

**"তুমি উঠা আৰু ল'ৰাটিক তুলি লৈ শান্ত কৰাত সহায় কৰা, কিয়নো মই তেওঁৰ যোগেদি এক মহাজাতি উৎপন্ন কৰিম।" (আদি পুস্তক ২১ঃ১৮)**

যেতিয়া মাতৃসকলে প্ৰাৰ্থনা কৰে, আমাৰ সন্তানসকলৰ ভৱিষ্যতৰ নিমিত্তে স্বৰ্গীয় দৰ্শনৰ প্ৰকাশ হয়। আমি আন কতো উত্তৰ বিচৰাৰ প্ৰয়োজন নাই, ঈশ্বৰে প্ৰাৰ্থনা কৰা মাতৃসকললৈ, দৰ্শনবিলাকক প্ৰকাশ কৰে, গতিকে আহক প্ৰাৰ্থনাশীল মাতৃৰ মানসিকতাক গ্ৰহণ কৰি ল'মহক, আমাৰ সন্তানসকলৰ বাবে কাতৰোক্তি কৰোহক আৰু মাজত থিয় হ'মহক।


## বিচৰা হৈছে

**তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ নহিমিয়া বাইবেল কলেজৰ বাবে, চেন্নাই,**
**এ,টি, এ সদস্যপদৰ বাবে নিবন্ধিতপ্ৰাৰ্থী ডিন (বাসগৃহ) ঃ**

এম, ডিভ/এম, টি, এইচ ডিগ্ৰীৰ লগতে এজন অভিজাত হিন্দী থিয়লজীয়ানৰ প্ৰয়োজন হৈছে। যোগ্য প্ৰাৰ্থীসকলে তেওঁলোকৰ বায়ডাটা পঠাব পাৰে ঃ

ই-মেইল ঃSam@echoofhiscall.org
হোৱাট্চ এপ ঃ(+91)9841271858



**ST. PAUL'S MATRICULATION SCHOOL**
**Medavakkam, Chennai - 100.**
**ADMISSIONS OPEN!**
**PRE.K.G. TO X STD**
Ph. 963 963 1295, 044 - 2278 0574


## পঢ়ুৱৈসকল মনোযোগ দিয়ক !

### পালক এচ. চাম ছেলভা ৰাজাৰ আত্মজীৱনী !

আমি পালক এচ, চাম ছেলভা ৰাজৰ আত্মজীৱনী পুস্তকৰ আকাৰত প্ৰকাশন সম্পূৰ্ণ কৰাৰ চূড়ান্ত পৰ্য্যায়ত আছো। আমি আপোনালোকৰ সাক্ষ্য বিচাৰি অনুৰোধ জনাইছো, হ'ব পাৰে দহ শাৰীত তেওঁৰ পৰিচৰ্য্যাৰ যোগেদি আত্মিক বৃদ্ধিত কি ভাবে প্ৰভাৱিত হৈছে। তাৰ বিস্তাৰিত বিৱৰণ লিখি পঠাওক। অতিৰিক্ত ভাবে আপুনি যদি আত্মজীৱনীত অন্তৰ্ভূক্তৰ বাবে এটি ছবি দিব পাৰে তেন্তে আমি আপোনাক প্ৰশংসা কৰিম।

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

**অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক**

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

**- সম্পাদক**

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **S. Sam Selva Raj** |
| A/C No. | : | **1023 2934 679** |
| IFSC | : | **SBIN 00 00 249** |
| SWIFT CODE | : | **SBI NIN BB 455** |

### *2. Bank : ICICI Bank*

| | | |
|---|---|---|
| Branch | : | **Anna Salai, Chennai-6** |
| Name | : | **Echo of His Call** |
| A/C No. | : | **6038 0502 2319** |
| IFSC | : | **ICIC 000 6038** |

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

| | | |
|---|---|---|
| Branch | : | **Triplicane, Chennai-5** |
| Name | : | **Echo of His Call Educational Trust** |
| A/C No. | : | **1023 2923 805** |
| IFSC | : | **SBIN 00 00 249** |

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা — জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/24-26
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 13th MAY 2024
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**